**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-MAR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত আজি গুৱাহাটীৰ লাচিত ঘাটত ব্ৰহ্মপুত্ৰ দীপস্তম্ভৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰা হ'ব। নদী পৰ্যটনৰ সৰলীকৰণ আৰু বহনক্ষম বিকাশ নিশ্চিত কৰাৰ লক্ষ্যৰে তথা ৮৪ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলৈ লোৱা এই প্ৰকল্প বগীবিল, পাণ্ডু, বিশ্বনাথ ঘাট আৰু শিলঘাটক সামৰি ল'ব। এই দীপস্তম্ভই ব্ৰহ্মপুত্ৰৰে সুৰক্ষিত আৰু নিৰৱচ্ছিন্ন জাহাজ চলাচল, ৰাষ্ট্ৰীয় জলপথ-২ৰ যাত্ৰী আৰু মালবাহী জাহাজৰ চলাচল বৃদ্ধি, নদী ক্ৰুজ পৰ্যটন তথা স্থানীয় উদ্যমিতাৰ প্ৰসাৰ, কৰ্মসংস্থাপন সৃষ্টি আদি সুনিশ্চিত কৰিব। আজিৰ এই আধাৰশিলা স্থাপন কাৰ্যসূচীত অসম চৰকাৰৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, জয়ন্ত মল্লবৰুৱা আৰু চৰণ বড়োৰ লগতে সাংসদ বিজুলী কলিতা মেধি তথা বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যও উপস্থিত থকাৰ কথা।

০০০০০০

ধেমাজিত আজি বিজেপিৰ জন আশীৰ্বাদ যাত্ৰা উলিওৱা হ'ব। গোগামুখৰ পৰা এই যাত্ৰা ধেমাজি, চিচিবৰগাঁও হৈ জোনাই বিধানসভা সমষ্টিত অন্ত পৰিব। এই উপলক্ষে কালি বিজেপিৰ ধেমাজি জিলা সমিতিৰ কাৰ্যালয়ত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সাংসদ প্ৰদান বৰুৱা প্ৰমুখ্যে বিজেপি মিত্ৰজোঁটৰ জিলা সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে এখন সংবাদমেলত ভাগ লয়। ডাঃ পেগুৱে উন্নয়ন, সু-শাসন আৰু জনকল্যাণৰ ধাৰা অব্যাহত ৰখাৰ বাবে এই যাত্ৰাত সকলো নাগৰিকক অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

**বাইট (ৰণোজ পেগু)**

জন আশীৰ্বাদ যাত্ৰাৰ পৰিপ্ৰেক্ষিতত ধেমাজি আৰক্ষীয়ে যান-বাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি ধেমাজি, গোগামুখ আৰু লখিমপুৰ অভিমুখী জোনাই আৰু চিলাপথাৰৰ ফালৰ পৰা অহা বাহনসমূহ পুৱা ৮ বজাৰ পৰা কোলাজান-ঢকুৱাখনা সংযোগী পথেৰে যাবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে গোগামুখৰ পৰা ধেমাজি, জোনাই আৰু চিলাপথাৰলৈ যোৱা বাহনসমূহক ঢকুৱাখনা পথ ব্যৱহাৰ কৰিবলৈ আহ্বান জনোৱা হৈছে। ইপিনে, আশীৰ্বাদ যাত্ৰাত অংশগ্ৰহণৰ বাবে অহা লোকসকলক তেওঁলোকৰ বাহনসমূহ আন্তঃজিলা বাছ আস্থান, তেলিজান ডি আৰ ডি এ চৌহদ, ধেমাজি ক'ৰ্ট ফিল্ড, ধেমাজি মহাবিদ্যালয়ৰ খেলপথাৰ, পুৰণি বাছ আস্থান আৰু ৰং ছুটিওৱা পথাৰকে ধৰি নিৰ্ধাৰিত স্থানত পাৰ্কিং কৰিবলৈ কোৱা হৈছে।

০০০০০০

২০২১ চনৰ পৰা বৰ্তমানলৈকে ৰাজ্যখনত মেধাৰ ভিত্তিত এক লাখ ৫৮ হাজাৰ ৩৮০ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে। ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে অসম অসামৰিক সেৱা আৰু অন্যান্য সংলগ্ন সেৱাৰ বাবে নিৰ্বাচিত ২৮৪ গৰাকী প্ৰাৰ্থী আৰু ফৰেণচিক বিজ্ঞান সঞ্চালকালয়ত বৈজ্ঞানিক বিষয়া হিচাপে নিৰ্বাচিত পাঁচগৰাকী প্ৰাৰ্থীক কালি নিযুক্তি পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কয়, যে ফলাফল ঘোষণাৰ প্ৰায় দুসপ্তাহৰ ভিতৰতে নিযুক্তি পত্ৰসমূহ বিতৰণ কৰি স্বচ্ছতা বৰ্তাই ৰখাটো নিশ্চিত কৰা হৈছে। ৰাজ্য চৰকাৰে সমগ্ৰ নিযুক্তি প্ৰক্ৰিয়াটো সংস্কাৰ সাধন কৰি দুৰ্নীতিমুক্ত কৰাৰ

প্ৰয়াসত সফল হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ডঃ শৰ্মাই এই অনুষ্ঠানতে স্বাগত সতীৰ্থ প'ৰ্টেলৰ দ্বিতীয় পৰ্যায়ৰ অধীনত পাৰস্পৰিক বদলিকৰণ পত্ৰ বিতৰণ কৰি পূৰ্বৰ তুলনাত বৰ্তমান বদলিকৰণ প্ৰক্ৰিয়াও যথেষ্ট সৰল হৈ পৰিছে বুলি মন্তব্য কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ বন বিভাগৰ বাবে ১৪৩ খন নতুন বাহন মুকলি কৰে। এই পদক্ষেপে বন নিৰীক্ষণ কাৰ্যত বিশেষভাৱে সহায় কৰি ৰাজ্যখনৰ বৰ্ণাঢ্য জৈৱ বৈচিত্ৰ্যৰ সুৰক্ষা বৃদ্ধি কৰাৰ লগতে এখন স্বচ্ছ আৰু সেউজ অসম গঢ়াৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক পূৰণ কৰিব বুলি আশা কৰা হৈছে।

oooooo

**সমাপ্ত**